# কলাক্ষেত্ৰত কাইলৈ 'ৰূপালীম'

গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ দিছপুৰ মহাবিদ্যালয় ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বহু সমাদৃত 'ৰূপালীম' নাটখন অহা ২০ ছেপ্টেম্বৰত আবেলি ৪ বজাত আৰু সন্ধিয়া ৬ বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হ'ব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিবেশন কৰিবলগীয়া নাটখনৰ প্ৰযোজনা ড° নৱজ্যোতি বৰাৰ, পৰিচালনা কৰিব মাণিক আহমেদে। অতিথি শিল্পী হিচাপে নাটখনিত অভিনয় কৰিব জনপ্ৰিয় অভিনেতা দুলাল বেজবৰুৱা, গিগি প্ৰভাত দত্ত আৰু কেইবাগৰাকী শিল্পীয়ে। নাটখনৰ সংগীত পৰিচালনা প্ৰতাপ শৰ্মা, সংগীত সহযোগী মনদীপ মহন্ত, পোহৰ দিলীপ গগৈৰ বুলি জানিবলৈ দি নাট্যানুষ্ঠান উপভোগ কৰিবলৈ সকলোকে আমন্ত্ৰণ জনাইছে দিছপুৰ ড্ৰামাটিক ছ'চাইটিৰ আহ্বায়ক ড° সঞ্জীৱ কুমাৰ শৰ্মাই।